# চেতনা দিৱস পালন ঃ অসমকেশৰী অম্বিকাগিৰীলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন




‘চেতনা দিৱস’ত বক্তব্যৰত
সভাৰ সভাপতি ড° কুলধৰ শইকীয়া।
কাষত সাংস্কৃতিক উপ-সমিতিৰ
কাৰ্যকৰী সভাপতি দেৱেন্দ্ৰনাথ বসুমতাৰী
আৰু সভাৰ উপ-সভাপতি
শ্ৰীমতী মৃণালিনী দেৱী

অসম সাহিত্য সভাৰ মাননীয় প্ৰাক্তন সভাপতি তথা বিশিষ্ট সাহিত্যিক-কবি অসমকেশৰী অম্বিকাগিৰী ৰায়চৌধুৰীৰ মৃত্যুবাৰ্ষিকী উপলক্ষে ১৮ ডিচেম্বৰ তাৰিখে সভাৰ গুৱাহাটী কাৰ্যালয়ত আয়োজিত ‘চেতনা দিৱস’ত এইগৰাকী বিৰল অসম তথা অসমীয়া প্ৰেমীলৈ শ্ৰদ্ধাঞ্জলি আগবঢ়োৱা হয়। সভাৰ সভাপতি ড° কুলধৰ শইকীয়াৰ সভাপতিত্বত কেন্দ্ৰীয় অনুষ্ঠান হিচাপে আয়োজিত কাৰ্যসূচী আৰম্ভ হয় মাননীয় সভাপতি আৰু উপস্থিত সুধীবৃন্দই অম্বিকাগিৰী ৰায়চৌধুৰীৰ প্ৰতিচ্ছবিৰ সমুখত কৰা বন্তি প্ৰজ্জ্বলন আৰু পুষ্পাঞ্জলি অৰ্পণেৰে। সভাৰ প্ৰধান সম্পাদক যাদব চন্দ্ৰ শৰ্মাই আদৰণি ভাষণত ১৯৫০ চনত মাৰ্ঘেৰিটা অধিৱেশনত সভাৰ সভাপতিৰ আসনত অধিষ্ঠিত হোৱা অম্বিকাগিৰী ৰায়চৌধুৰীৰ জীৱন আৰু কৃতিত্বৰ বিষয়ে আলোকপাত কৰে। ভাষণত শ্ৰীশৰ্মাই ৰায়চৌধুৰীৰ ঈৰ্যনীয় সাহিত্য-কৃতিৰ লগতে অসম তথা অসমীয়া জাতিৰ উত্তৰণৰ প্ৰতি তেওঁৰ নিৰ্ভেজাল উৎকণ্ঠাৰ কথা ব্যক্ত কৰে।

সভাপতি ড° শইকীয়াই তেওঁৰ ভাষণত কয় যে অম্বিকাগিৰী ৰায়চৌধুৰী আছিল একেধাৰে ৰসোত্তীৰ্ণ সাহিত্য সৃষ্টিৰ জনক আৰু বিৰল দেশপ্ৰেমীক। অম্বিকাগিৰীৰ এলানি সুখপাঠ্য কবিতাৰ ইংৰাজী ভাঙনি সোনকালে অসম সাহিত্য সভাই প্ৰকাশ কৰিব বুলি ড° শইকীয়াই জনায়।

সভাত উপ-সভাপতি শ্ৰীমতী মৃণালিনী দেৱী, গুৱাহাটী প্ৰশাসনীয় কাৰ্যালয়ৰ সম্পাদক মনজিৎ সিং, সাংস্কৃতিক উপ-সমিতিৰ কাৰ্যকৰী সভাপতি দেৱেন্দ্ৰনাথ বসুমতাৰী আদিয়ে বক্তব্য আগবঢ়ায়।

০০০০